# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date : 15-05-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক।

২। মিজোৰামত ভোটদাতাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ।

৩। সেনা বাহিনীত অগ্নিবীৰ নিযুক্তিৰ বাবে অহা ১ ৰ পৰা ১২ জুনলৈ অনলাইন সমূহীয়া প্ৰৱেশ পৰীক্ষা।

আৰু

৪। আফগানিস্তানৰ বিৰুদ্ধে ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাছনি সন্দৰ্ভত আজি গুৱাহাটীত বি চি চি আইৰ গুৰুত্বপূৰ্ণ বৈঠক।

০০০০০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠক অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও এই অনুষ্ঠানত উপস্থিত আছে। আজিৰ বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ণ কৰা হৈছে। তদুপৰি এই বৈঠকত বহনক্ষম জলসংৰক্ষণৰ প্ৰচাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত আৰু থলুৱা জল ব্যৱস্থাপনা পদ্ধতি সম্পৰ্কীয় গ্ৰন্থ আৰু তথ্যচিত্ৰও মুকলি কৰা হয়। উল্লেখযোগ্য যে, ব্ৰহ্মপুত্ৰ বোৰ্ডৰ এই উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ পুনৰ গঠনৰ পাছত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

০০০০০

অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থা পৰ্যালোচনাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাৰ অন্তত ডঃ শৰ্মাই সামগ্ৰীৰ মূল্যৰ ভাৰসাম্য ৰাখিবলৈ আৰু যিকোনো সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধি ৰোধ কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। এই নিৰ্দেশনা অনুসৰি জিলা আয়ুক্তৰ নেতৃত্বত তিনি-চাৰিদিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতিৰ বৈঠকৰ আহ্বান, দোকান আৰু পাইকাৰী বিপণীসমূহত খুচুৰা তথা পাইকাৰী মূল্য প্ৰদৰ্শন কৰাটো বাধ্যতামূলক কৰা, জিলা আয়ুক্ত- চেম্বাৰ আৰু বাণিজ্যিক সংস্থাসমূহৰ মাজত সাপ্তাহিক পৰ্যালোচনা বৈঠকৰ আয়োজন কৰিবলৈ দিয়া আদি অন্যতম। তদুপৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণৰ আসোঁৱাহ দূৰ কৰিবলৈ প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ দ্ৰুত আধাৰ সংযোজনত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে অস্বাভাৱিক মূল্যৰ ক্ষেত্ৰত বাণিজ্যিক অনুজ্ঞাপত্ৰ বাতিলকে ধৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈও

নিৰ্দেশ দিয়ে। ৰাজ্যবাসীৰ প্ৰতিটো সমস্যা সমাধান কৰাত চৰকাৰ সদায় সংকল্পবদ্ধ বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে দৃঢ় স্থিতি প্ৰকাশ কৰে।

ooooo

মিজোৰামৰ ভোটদাতাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হৈছে। মুখ্য নিৰ্বাচনী বিষয়া ড০ লালৰোজামাই কালি আইজলত এই বিষয়ে প্ৰকাশ কৰে। এই প্ৰক্ৰিয়া ৰূপায়ণৰ বাবে এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত দিয়া ভাষণত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে দেশৰ নিৰ্বাচন আয়োগ আৰু জনসাধাৰণৰ আকাংক্ষা পূৰণ কৰিব পৰাকৈ এই কাৰ্য সম্পন্ন কৰাত গুৰুত্ব আৰোপ কৰে। নিৰ্বাচনী বিষয়া, ভোটদাতাৰ পঞ্জীয়ন বিষয়া, সহকাৰী পঞ্জীয়ন বিষয়া আৰু জিলা পৰ্যায়ৰ মুখ্য প্ৰশিক্ষকসকলৰ বাবে কালি এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে বিষয়াসকলক নিষ্ঠা আৰু সততাৰে এই কাম কৰি যাবলৈ আহ্বান জনায়। তেওঁ কয়, যে এজনো যোগ্য ভোটদাতাৰ নাম যাতে তালিকাৰ পৰা বাহিৰ নহয় এই কথাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন। তেওঁ লগতে বি এল অ' সকলক এই সংশোধনী প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ অংশ বুলি উল্লেখ কৰি স্বচ্ছতাৰে এই কাৰ্য ৰূপায়ণ কৰাৰ ক্ষেত্ৰত তৎপৰ হ'বলৈ তেওঁলোকক আহ্বান জনায়। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগে ১৪ মে'ত ৰাজ্যখনত বিশেষ পুংখানুপুংখ সংশোধনী সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে।

ooooo

মিজোৰামৰ ৰাজ্যিক মন্ত্ৰীসভাই ৰাজ্যখনত বহিঃৰাজ্যৰ লোকৰ প্ৰৱেশ নিয়ন্ত্ৰণ আৰু নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে ইনাৰ লাইন পাছৰ নতুন নিৰ্দেশনাত অনুমোদন জনাইছে। আইজলৰ মন্ত্ৰীসভাৰ কক্ষত মুখ্যমন্ত্ৰী লালডুৱমাৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। নতুন নিৰ্দেশনা অনুসৰি মিজোৰামত বহিঃৰাজ্যৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত থকা নীতিসমূহ সুশৃংখলিত হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, মিজোৰামৰ এটা নাগৰিক সংগঠন আৰু ব্যৱসায়িক সংস্থাই ইনাৰ লাইন পাৰ্মিট উলংঘা সন্দৰ্ভত অভিযোগ তোলাৰ লগতে এই সন্দৰ্ভত নীতি-নিৰ্দেশনাৰ সংস্কাৰ দাবী কৰিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত দেশজুৰি আৰম্ভ হোৱা তথ্য, শিক্ষা আৰু যোগাযোগ অভিযানৰ অংশস্বৰূপে জনজাতীয় লোকসকলৰ সৰ্বাংগীন কল্যাণৰ লক্ষ্যৰে  জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে।

নগাঁও জিলাতো কালি জনজাতীয় লোকসকলৰ মাজত চৰকাৰী বিভিন্ন কল্যাণমূলক আঁচনি সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে জন ভাগিদাৰী অভিযানৰ গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ সহকাৰী আদ্য প্ৰিয়ংকা কাশ্যপে অধ্যক্ষতা কৰে। বৈঠকত জিলাখনৰ সকলো খণ্ড উন্নয়ন বিষয়া উপস্থিত থাকে। এই বিশেষ অভিযানৰ অধীনত জিলাখনত অৰিয়ণ্টেছন ড্ৰাইভ, এনটাইটেলমেণ্ট ড্ৰাইভ, সৰ্বাংগিন সুবিধা প্ৰদান শিবিৰ আৰু স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হ'ব। ইয়াৰ লগতে গ্ৰাম্যাঞ্চলৰ ৰাইজৰ সৈতে পোনপটীয়া যোগাযোগৰ বাবে ভিলেজ ইমাৰ্ছন ড্ৰাইভ আৰু জনসাধাৰণৰ ওজৰ-আপত্তিৰ দ্ৰুত নিষ্পত্তি তথা ক্ষিপ্ৰ সমাধানৰ উদ্দেশ্যে জন শুনানি আদি বিভিন্ন জনকল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব।

ডিব্ৰুগড় জিলাতো কালি দেশজোৰা এই অভিযানৰ শুভাৰম্ভ কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত অনুষ্ঠানত অভিযানৰ ৰূপায়ণ কৌশল, আন্তঃবিভাগীয় সমন্বয়, প্ৰসাৰ কাৰ্যসূচী আৰু নথি-পত্ৰ

প্ৰস্তুতকৰণ সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ অধীনত গছপুলি ৰোপণ অভিযান, ক্ষেত্ৰভিত্তিক গাঁও পৰিদৰ্শন, জনশুনানি তথা অভিযোগ নিষ্পত্তি, স্বাস্থ্য শিবিৰ, প্ৰতিষেধক প্ৰদান শিবিৰকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

মৰিগাঁও জিলাত আয়ুক্ত কাৰ্যালয়ত কালি এই অভিযানৰ শুভাৰম্ভ কৰা হয়। অভিযানৰ অধীনত অহা ২৫ মে'লৈকে ভালেমান সজাগতা আৰু কল্যাণমূলক কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অভিযানৰ অংশ হিচাপে ৰক্তদান শিবিৰ, স্বাস্থ্য শিবিৰ আৰু গছপুলি ৰোপণ অভিযান ৰূপায়ণ কৰা হ'ব। যোগ্য হিতাধিকাৰীসকলক বিভিন্ন সুবিধা প্ৰদানৰ বাবে জিলাখনৰ চাৰিটা উন্নয়ন খণ্ড কপিলি, মায়ং, ভূৰবন্ধা আৰু ভুৰাগাঁৱৰ ৬৮ খন জনজাতীয় গাঁও শিবিৰ মুকলি কৰা হ'ব।

গোৱালপাৰা জিলাৰ আমজোঙাত কালি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত দুধনৈ সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক তথা ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষধৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। জিলাখনৰ ৰংজুলি, দুধনৈ, শ্ৰীসূৰ্যগিৰি, পাইকান, বালিজানা আৰু লক্ষীপুৰ উন্নয়ন খণ্ডত অভিযানৰ কাৰ্যসূচী লোৱা হ'ব।

দৰং জিলাতো কালি জন ভাগিদাৰী, সবছে দূৰ সবছে পেহলে শীৰ্ষক অভিযান আৰম্ভ কৰা হৈছে। জিলা আয়ুক্ত কাৰ্যালয়ত আয়োজিত উদ্বোধনী অনুষ্ঠানত উন্নয়ন আয়ুক্ত দেৱজিৎ বৰুৱাই কাৰ্যসূচীৰ বিষয়ে অৱগত কৰে। অভিযানৰ অধীনত স্বাস্থ্য, শিক্ষা, পুষ্টি, সামাজিক সুৰক্ষা, বিশুদ্ধ খোৱাপানীৰ যোগান, জীৱিকা সৃষ্টিৰ সুযোগ আদিত গুৰুত্ব আৰোপ কৰা হ'ব।

ধেমাজি জিলাৰ আটাইকেইটা উন্নয়ন খণ্ডতে কালি কেন্দ্ৰীয় চৰকাৰৰ জন ভাগিদাৰী সপ্তাহৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত এই দেশজোৰা উদ্যমৰ লক্ষ্য হৈছে জনজাতিয় লোকসকলৰ বাবে থকা কল্যাণমূলক আঁচনিসমূহৰ বিষয়ে সজাগতা সৃষ্টি আৰু ক্ষেত্ৰ প্ৰচাৰ তথা সৰা প্ৰদান শিবিৰৰ জৰিয়তে হিতাধিকাৰীসকলৰ পৰিপূৰ্ণতা নিশ্চিত কৰা।

অহা ২৫ মে' পৰ্যন্ত চলিবলগীয়া এই অভিযানৰ সময়ছোৱাত মূলতঃ জনজাতিয় লোকসকলৰ বাবে স্বাস্থ্য পৰীক্ষা, পুষ্টি আৰু প্ৰতিৰোধমূলক স্বাস্থ্য সেৱাৰ বাৰ্তা প্ৰেৰণ, অভিযোগ নিৰাময়, জীৱিকা প্ৰসাৰ আদি খণ্ডসমূহত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

ভাৰতীয় সেনা বাহিনীত ২০২৭ বৰ্ষৰ বাবে অগ্নিবীৰ আৰু জে চি অ' আৰ অ' নিযুক্তিৰ বাবে সৰ্বভাৰতীয় অনলাইন সমূহীয়া প্ৰৱেশ পৰীক্ষা চি ই ই, ২০২৬ অনুষ্ঠিত হ'ব। অহা ১ জুনৰ পৰা ১২ জুনলৈ এই পৰীক্ষা অনুষ্ঠিত হ'ব বুলি গুৱাহাটীৰ নাৰেংগীৰ সেনা নিযুক্তি কাৰ্যালয়ে ঘোষণা কৰিছে।

নিযুক্তিৰ প্ৰক্ৰিয়াৰ বাবে নাম পঞ্জীয়ন কৰা প্ৰাৰ্থীসকলে পৰীক্ষা আৰম্ভ হোৱাৰ ১৪ দিন পূৰ্বে ভাৰতীয় সেনাৰ অফিচিয়েল নিযুক্তি ৱেবছাইট joinindianarmy.nic.in ৰ পৰা এডমিট কাৰ্ড ডাউনলোড কৰিব পাৰিব।

পঞ্জীয়নকৃত সকলো প্ৰাৰ্থীয়ে তেওঁলোকৰ এডমিট কাৰ্ডসমূহৰ প্ৰিণ্টআউট ৩১ মে'ৰ পূৰ্বে ল'ব লাগিব, কিয়নো সমূহীয়া প্ৰৱেশ পৰীক্ষাত উপস্থিত থকাৰ বাবে এডমিট কাৰ্ড থকাটো বাধ্যতামূলক। নিযুক্তি প্ৰক্ৰিয়াৰ

সৈতে জড়িত শেহতীয়া তথ্য, পৰীক্ষা সম্পৰ্কীয় নিৰ্দেশনা আৰু অন্যান্য গুৰুত্বপূৰ্ণ অধিসূচনাৰ বাবে প্ৰাৰ্থীসকলক নিয়মীয়াকৈ অফিচিয়েল ৱেবছাইট চাবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬-২৭ শৈক্ষিক বৰ্ষৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ অন্তিম তাৰিখ ২৪ মে'লৈ বৃদ্ধি কৰিছে। এই সন্দৰ্ভত কালি পৰিষদৰ এক নম্বৰ সংমণ্ডলৰ যুটীয়া সচিবে অধিসূচনা জাৰি কৰে। অধিসূচনা অনুসৰি ৩০ মে' পৰ্যন্ত বিদ্যালয়সমূহে পঞ্জীয়ন মাচুল জমা দিব পাৰিব। নিৰ্ধাৰিত সময়ত সকলো বিদ্যালয়ক ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কোৱা হৈছে। পৰৱৰ্তী সময়ত পঞ্জীয়নৰ সময় বৃদ্ধি কৰা নহ'ব বুলিও অধিসূচনাত উল্লেখ কৰা হৈছে।

আনহাতে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি ৰাজ্যৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত পঢ়াৰ বাবে কোনো বাধা নাথাকিব বুলি এখন জাননী জাৰি কৰিছে।

০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ অন্তৰ্গত শালনা বনাঞ্চলিক কাৰ্যালয়ৰ অধীনত লেংটেংবস্তিত কালি নিশা এটি হাতীৰ মৃত্যু হয়। খাদ্যৰ সন্ধানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা হাতীটোৰ মৃত্যুৰ প্ৰকৃত কাৰণ উদ্ঘাটন হোৱা নাই। বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি পাহাৰৰ পৰা নামি আহোতে হাতীৰ জাকৰ গচকত এই হাতীটোৰ মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে যদিও মৰণোত্তৰ পৰীক্ষাৰ পাছতহে প্ৰকৃত কাৰণ জানিব পৰা যাব। শালনা বন বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু আৰক্ষীৰ দল ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট এছ'চিয়েচনৰ ষ্টেডিয়াম চৌহদত স্থাপন কৰা অসম ক্ৰিকেট সংগ্ৰহালয়ৰ উদ্বোধন কৰাৰ লগতে 'THE GOLDEN INNINGS: LEGACY OF ASSAM CRICKET' শীৰ্ষক এখন তথ্যচিত্ৰও উন্মোচন কৰে। অসম ক্ৰিকেট সন্থাৰ ইতিহাস, গুৰুত্বপূৰ্ণ নথিপত্ৰ আৰু বিগত সময়ছোৱাৰ বিভিন্ন স্মৃতি সংৰক্ষণৰ বাবে সংগ্ৰহালয়টো স্থাপন কৰা হৈছে। এই সংগ্ৰহালয়টোৱে অসম ক্ৰিকেটৰ চহকী ইতিহাসৰ গৌৰৱময় চানেকি বহন কৰিব। স্বাধীনতাৰ পূৰ্বে আৰম্ভ হোৱা অসম ক্ৰিকেটৰ পথিকৃতসকলৰ স্মৃতি ধৰি ৰখা এই সংগ্ৰহালয়টো স্বনামধন্য ক্ৰিকেটাৰসকলৰ প্ৰতি অসমবাসীৰ গভীৰ শ্ৰদ্ধাৰো প্ৰতীক। সংগ্ৰহালয়টোৱে নতুন প্ৰজন্মক অসমত ক্ৰিকেটৰ দীঘলীয়া যাত্ৰাৰ বিভিন্ন দিশৰ সৈতে পৰিচিত কৰোৱাৰ লগতে অনুপ্ৰাণিত কৰিব। আনহাতে বিগত সময়ছোৱাত অসম ক্ৰিকেটৰ যাত্ৰা, প্ৰথিতযশা ক্ৰিকেটাৰসকলৰ অৱদান আৰু বিভিন্ন নিৰ্ণায়ক ঘটনাৰাজি সুন্দৰ আলোকচিত্ৰ আৰু বৰ্ণনাৰে সামৰি লোৱা এই তথ্যচিত্ৰখনে ১৯৪৮ চনত প্ৰতিষ্ঠা হোৱা এ চি এৰ বৰ্ণময় পৰিক্ৰমাক সামৰি লৈছে। সমুজ্জ্বল কাশ্যপে এই তথ্যচিত্ৰখন পৰিচালনা কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম ক্ৰিকেট সন্থাৰ বিষয়ববীয়া আৰু শুভাকাংক্ষীসকলক এই প্ৰচেষ্টাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়া আৰু অসম ক্ৰিকেট সন্থাৰ সভাপতি তথা বিধায়ক তৰংগ গগৈয়ো উপস্থিত থাকে।

০০০০০০০

অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্রিকেট শৃংখলাৰ বাবে ভাৰতীয় দল নির্বাচন সন্দৰ্ভত বি চি চি আইৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আজি গুৱাহাটীত অনুষ্ঠিত হ'ব। অসম ক্রিকেট সন্থাৰ কার্যালয়ত বিয়লি চাৰি বজাত বৈঠকখন আৰম্ভ হ'ব। আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া শৃংখলাটোত ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব। বৈঠকৰ অন্তত দল ঘোষণাৰ বাবে বি চি চি আইয়ে সংবাদমেল সম্বোধন নকৰে। বিপৰীতে বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে নির্বাচিত ভাৰতীয় দলৰ তালিকা প্রকাশ কৰিব।

০০০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আই পি এল ক্রিকেট প্রতিযোগিতাত আজি জয়পুৰত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্রতিযোগিতাৰ চলিত সংস্কৰণৰ প্লে-অফ পৰ্যায়ত উপনীত হৈছে। দলটোৱে যোৱানিশা চেন্নাইত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ খেলত চেন্নাই ছুপাৰ কিংছক ৫ উইকেটত পৰাস্ত কৰি প্লে-অফত স্থান নিশ্চিত কৰে। খেলখনত প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি চেন্নাইয়ে নির্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্রহ কৰে। দলটোৰ হৈ কাৰ্তিক শৰ্মাই সৰ্বাধিক ৪৪ ৰানৰ বৰঙণি আগবঢ়ায়। হায়দৰাবাদৰ পেট কামিন্সে ৩টা আৰু ছাকিব হুছেইনে দুটা উইকেট দখল কৰে। প্রত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ১৯ অভাৰত ৫টা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্রম কৰে। দলটোৰ হৈ ঈষাণ কিষাণে ৭০ আৰু হেনৰিক ক্লাছেনে ৪৭ ৰানৰ বৰঙণি আগবঢ়ায়। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্রদর্শনৰ বাবে ঈষাণ কিষাণক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। খেলখনত বিজয়ী হোৱাৰ সুবাদত হায়দৰাবাদে গ্ৰুপ পৰ্যায়ত নিজৰ আৰু এখন খেল বাকী থকা অৱস্থাতে সম্প্রতি ১৬ পইণ্ট লাভ কৰিছে। একেদৰে গুজৰাট টাইটানছ দলটোৱেও ১৬ পইণ্ট লাভ কৰি প্লে-অফত স্থান নিশ্চিত কৰিছে। ইপিনে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৱে ১৮ পইণ্টেৰে প্লে-অফত উপনীত হৈছে। অৱশ্যে ১৩ খন খেলৰ পৰা এইপৰ্যন্ত ১২ পইণ্ট অৰ্জন কৰা চেন্নাইৰ দলটোও প্লে-অফ পৰ্যায়ত উপনীত হোৱাৰ দৌৰত আছে।

০০০০০০০

**সমাপ্ত**